# মহাভাৰত

মহাভাৰতৰ সময় ঠাৱৰুৱা টান। আৰ্য্য সকল ভাৰতত বসতি কৰাৰ বহু আগৰ পৰাই মহাভাৰতৰ জন্ম বুলি কয়। প্ৰকৃততে বহু লিখকে ইজনৰ পাচত সিজনে মহাভাৰত লিখিছে। ৰামায়ণ এখন অতীজৰ কাব্য পুথি। ইয়াত বিশেষ ভাবে এজনকেই অনুসৰণ কৰিছে। মহাভাৰত অসংখ্য ভাব ও পুৰণি গল্পৰ সামঞ্জস্য। দুয়ো-খনেই বৌদ্ধ শতাব্দীৰো আগৰ। পাচত বহু সালসলনি হৈছে।

ফৰাচীৰ বুৰঞ্জী লিখক "মাইকলেটে" ইং ১৮৬৪ চনত ৰামায়ণৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে—"যি জনে এই ৰামায়ণ লিখি গল তেওঁ অমৰ জীৱন লাভ কৰক।

তেওঁ পশ্চিমীয়া ভাবসমূহ "খড়া" বুলি মন্তব্য কৰে।

"গ্ৰীচ দেশ সৰু। ই মোৰ উশাহ বন্ধ কৰে। জুদীয়া শুকাই গল আৰু মোৰ উশাহ ঘন হল। মোক সেই উচ্চ পৰ্ব্বত মালাৰে আগুৰি থকা গাম্ভীৰ্য্যপূৰ্ণ মহা এশিয়ালৈ চাব লৈ দিয়া। ভাত চিৰ উন্নত হৈ বিস্তৃত ভাৰত মহাসাগৰৰ দৰে মোৰ কবিতা মালাই স্বৰ্গীয় ভাবৰ হেন্দোলনিৰে মহা মিলনৰ ঝঙ্কাৰ তুলিছে।"

ৰামায়ণৰ দৰে জনপ্ৰিয় আৰু সুবিখ্যাত আন এখন গ্ৰন্থ হল "মহাভাৰত"। এই মহাভাৰত পুথি খনি পুৰণি নীতি নিয়ম আৰু সাধুৰ বিশ্বকোষ আৰু জ্ঞানৰ ভৰাল। অতীত ভাৰতৰ ৰাজনৈতিক আৰু সমাজিক প্ৰশিক্ষাৰ বিশ্ববিদ্যালয়। ৰুচীয়ন ভাষালৈ ৰাচীয়ান লিখক সকলে মহাভাৰতক এই ভয়াবহ যুদ্ধৰ যুগতো অনুবাদ কৰিছে। এই অনুবাদৰ মূল্যাঙ্কন সচাকৈয়েই লক্ষ্য কৰিব লগীয়া।

সেই ইময়ত বিদেশৰ বহুলোকে নিজ নিজ আচাৰ ব্যৱহাৰ লৈ ভাৰতত সোমায়। বহু লোক আৰ্য্যসকলৰ লগত মিলিগল আৰু বহু অমিল হৈ হ'ল। আৰ্য্যসকলৰ ভিতৰত "বহুপতি" গ্ৰহণ কৰা প্ৰথা

নাছিল। তথাপিও মহাভাৰতৰ এগৰাকী মুখ্য নায়িকাই ৫ জন পতি গ্ৰহণ গৰিছিল।

মহাভাৰতে ভাৰতৰ একতা ৰক্ষা কৰাত বিশেষ গুৰুত্ব দিছে। ভৰত ৰজাৰ নামানুযায়ী ভাৰতবৰ্ষ হল। অতীতত ভাৰতক আৰ্য্যবৰ্ত্ত বুলিছিল। আৰ্য্যসকলে মধ্যভাৰতৰ বিন্ধ্যপৰ্ব্বতলৈকে ৰাজ্য বিস্তাৰ কৰিছিল। ইয়াৰ পৰা পৰ্ব্বতমালা পাৰ হৈ দক্ষিণলৈ যোৱা নাছিল। ৰামায়ণৰ গলপ সমূহ আৰ্য্যসকল দক্ষিণাত্যলৈ প্ৰসাৰিত হোৱাৰ বিষয়েহে। মহাভাৰতত বৰ্ণনা কৰা বিখ্যাত যুদ্ধ সমূহ অনুমান খ্ৰঃ পূঃ ১৪ শতিকাত ঘটিছিল। সেই যুদ্ধ ঘটিছিল প্ৰভুত্ব বিস্তাৰৰ কাৰণে।

বৰ্ত্তমানৰ আফগানিস্থানৰ বহু অংশ গান্ধাৰা প্ৰদেশ নাম লৈ ভাৰতত আছিল। এই প্ৰদেশৰ সম্ৰাজ্ঞী আছিল গান্ধাৰী। দিল্লী নগৰ আজিৰ নহয় অতীজৰে। এই নগৰ হস্তিনাপুৰ আৰু ইন্দ্ৰপ্ৰস্থৰ ওচৰতে এতিয়া ই ভাৰতৰ মহানগৰ।

চিচ্‌টাৰ নিবেদিয়াই ( Nivedia ) মহাভাৰতলৈ উদুকীয়াই লিখিছে—মহাভাৰতৰ মুখ্য ভাৰভঙ্গীলৈ লক্ষ্য কৰিলে স্তম্ভিত হওঁ। এক ভাৱ হল বহু আউলৰ মাজেদি অহা একতা আৰু দ্বিতীয় হল শ্ৰোতা সকলৰ মনত ওপজা দৃঢ় ধাৰণা।

মহাভাৰতে শ্ৰীকৃষ্ণৰ চৰিত্ৰ ব্যাখ্যা কৰিছে। শ্ৰীকৃষ্ণ চৰিত্ৰৰ পৰাই বিখ্যাত ভাগবত গীতাৰ উৎপত্তি। গীতাৰ দৰ্শনতত্বৰ বাহিৰেও মহাভাৰতে নীতিশাস্ত্ৰ জ্ঞান আৰু ৰাজ্যশাসন পদ্ধতি আলোচনা কৰিছে। মহাভাৰতে ধৰ্ম্মৰ ভেটি স্থাপন কৰিছে। ইয়াৰ লক্ষ্য কোনো সমাজৰ কাৰণে নহয়, সমগ্ৰ পৃথিবীৰ কাৰণে। এই পুৰণা মহাকাব্য খনি এখন ডাঙৰ ডাঙৰ যুদ্ধক কেন্দ্ৰ কৰি আছে। ইয়াৰ লগত অহিংসা বিশেষ ভাৱে জড়িত। মহাভাৰত বহু অমূল্য ৰত্নৰ ভৰাল। ইয়াত প্ৰচুৰ পৰিমাণে মানৱভাব বিভিন্ন দিশ বৰ্ণনা কৰা আছে।

ভাগবৎ গীতা মহাভাৰতৰ এটি অংশ। কোনো কোৱা কথাৰ

এটা অন্তৰস্পৰ্শী বৃত্তান্ত। ইয়াৰ বৰ্ণনাই সকলোতকৈ সম্পূৰ্ণতা লাভ কৰিছে। ভাগবৎগীতা ৭০০ ছন্দত ৰচিত। পৃথিবীৰ সকলো ভাষা বা সাহিত্যৰ ভিতৰতেই এই পুথি খনি সৌন্দৰ্য্যৰ খনি আৰু সত্য দৰ্শনতত্বৰ মনোৰম গীতিমালা। এই পুথিখনি বুদ্ধ যুগৰো আগৰ। এই পুথি খনিৰ আদৰ আৰু মানৱ সমাজত পেলোৱা প্ৰভাৱ ভাৰতত আগৰে পৰা আজিলৈকে একে ভাৱেই আছে। প্ৰত্যেক চিন্তাশীল ব্যক্তি আৰু দাৰ্শনিকে ইয়াক নিজ নিজ মতত ব্যাখ্যা কৰে। বিপদৰ সময়ত যেতিয়া মানুহৰ মন সন্দেহ আৰু অবিশ্বাসে আগুৰি ধৰে তেতিয়া পোহৰৰ সন্ধানত আশ্ৰয় বিচাৰি মানুহে গীতাৰ ওচৰ চাপে। গীতা বিপদ আপদৰ বন্ধু, ৰাজ্যনৈতিক আৰু সামাজিক আন্দোলনৰ শান্তিদাতা আৰু মানুহৰ মনৰ ভাৱ চিন্তাৰ ফলদাতা। আমাৰ দিনৰ "মহামানৱ" তিলক, অৰবিন্দ ঘোষ আৰু মহামানৱ মহাত্মা গান্ধী আদিয়ে এই ভাগবৎ গীতাক নিজা মতত ব্যাখ্যা কৰিছে।

মহাত্মা গান্ধীয়ে গীতাৰ ওপৰত অহিংসা নীতি আৰোপ কৰি ন্যায়ৰ কাৰণে যুদ্ধ বিগ্ৰহকো যুক্তি সঙ্গত বুলি বিবেচনা কৰিছে।

এই গীতাৰ জন্ম হল কুৰুক্ষেত্ৰ যুদ্ধত অৰ্জ্জুন আৰু শ্ৰীকৃষ্ণৰ মাজত ৰণস্থলিত মহাযুদ্ধৰ আৰম্ভনিতে হোৱা কথোপকথনৰ পৰাই, অৰ্জ্জুনে এই মহাযুদ্ধত ৰথৰ পৰা নিজ ভাই বন্ধু আৰু পুজ্য সকলৰ হত্যাকাণ্ড ভয়াবহ পৰিনামৰ কথা চিন্তা কৰি দুৰ্ঘোৰ পৰিশ্ৰান্ত হৈ শৰ-ধনু ত্যাগ কৰি মূৰে কপালে হাতদি বহি পৰিল। অৰ্জ্জুনে চিন্তা কৰিব ধৰিলে এই ভয়াবহ যুদ্ধৰ উদ্দেশ্য, লাভালাভ আৰু পৰিণামৰ কথা। এনে চিন্তাৰ সোতে অৰ্জ্জুনক জৰ্জ্জৰিত কৰি তুলিলে। শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ যুদ্ধৰ প্ৰতি জন্মা বিতৃষ্ণাত নিজৰ কৰ্ত্তব্য জ্ঞানৰ বিষয়ে উপদেশ দি যাওঁতে উদ্ভৱ হোৱা দুয়োৰে ভিতৰৰ বাদানুবাদতেই ব্যক্তিগত কৰ্ত্তব্য, সামাজিক ব্যৱহাৰ আৰু মানসিক ধৰ্ম্মজ্ঞানৰ বিকাশ হল। গীতাই মানুহৰ অস্তিত্ব আৰু পৰমাৰ্থিক তত্বৰ সম্বন্ধে বিচাৰ কৰি নিজ নৈমিত্তিক কৰ্ম্মৰ সক্ৰিয়তাক প্ৰকাশ কৰিলে। কৰ্ত্তব্য জ্ঞানেই

হল গীতাৰ উদ্দেশ্য আৰু জীৱন যাত্ৰাত ঘটিব পৰা বাধ্য বাধ্যকতা মূলক সামাজিক ব্যৱহাৰ আৰু বিশ্ব-ব্ৰহ্মাণ্ডত ওপঙি থকা মহান কৰ্ত্তব্যৰ বিকাশ সাধন।

গীতাই নিষ্ক্ৰীয়তাক ঘৃণা কৰিছে আৰু সক্ৰীয়তাক উচ্চ স্থান দিছে। বৰ্ত্তমানৰ কৰ্ত্তব্যই যুগ ধৰ্ম্মৰ প্ৰতিছবি ফট্‌ফটীয়াকৈ চকুৰ আগত ডাঙি ধৰে কাৰণে বৰ্ত্তমানৰ ভাৰতে নিৰাশা আৰু অশান্তিৰ পটভূমিত চটফটাই ফুৰিছে আৰু গীতাৰ আহ্বানে মনক সান্ত্বনা দিছে। কৰ্ম্মত মন নিয়োগ কৰিবলৈ দিছে কিন্তু ফলৰ কাৰণে আকৃষ্ট হবলৈ দিয়া নাই।

গীতাৰ উপদেশ সমূহ কোনো একশ্ৰেণী চিন্তাশীল ব্যক্তিৰ কাৰণে নহয় ই বিশ্বজনীন ভাৱত মগ্ন। ভাগৱৎ গীতা দুই হাজাৰ পাঁচ শ বছৰৰ আগেয়ে লিখা। মানৱ জাতিৰ উত্থান পতন সঘনেই পৰিলক্ষিত হৈ আছে। এটা অভিজ্ঞতাই আন এটা অভিজ্ঞতাক অতিক্ৰম কৰিছে। কিন্তু গীতাই সকলো অভিজ্ঞতা সকলো পৰিবৰ্ত্তন নতুনৰ দৃষ্টি ভঙ্গিৰে অশান্ত মনক পৰমাৰ্থিক তত্ত্বেৰে সান্ত্বনা দি দূৰ দিগন্তলৈ গতি কৰিছে।

অতীত ভাৰতৰ সামাজিক ৰীতি নীতিৰ বিষয়ে জানিবলৈ বহু পণ্ডিতে অশেষ চেষ্টা চলাই আহিছে। ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক ধৰণ কৰণ আৰু চিন্তাৰ 'মহাভাৰত' এটা মহাভড়াল। আৰু এখন অমূল্য গ্ৰন্থ ৪ৰ্থ খৃঃ পূঃ ত লিখা কৌত্ৰিল্যৰ "অৰ্থশাস্ত্ৰ"। কৌত্ৰিল্যৰ এই 'অৰ্থশাস্ত্ৰই' এই মৌৰ্য্য সাম্ৰাজ্যৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু দেশ ৰক্ষণ শক্তিৰ বিষদ আলোচনা কৰিছে।

# "জাতক"

ভাৰতৰ বুদ্ধ যুগৰো আগৰ সময় চোৱাৰে চালে "জাতক" সাধুৰ সন্ধান পোৱা যায়। বুদ্ধ যুগৰ পাচত এই জাতকে নিজ ৰূপ ধাৰণ কৰে। এই জাতকে বুদ্ধদেৱৰ আগৰ অৱতাৰ অনুমান কৰে আৰু বৌদ্ধ সাহিত্যৰো প্ৰধান অঙ্গ হয়। জাতকত থকা কথা বিলাক বুদ্ধদেৱৰো আগৰ আৰু ইয়েই আমাৰ আগত অতীত ভাৰতৰ ছবি ডাঙি ধৰে। "জাতক" অতীতৰ উপযোগী কিছুমান সাধুকথা। এচিয়া আৰু ইউৰোপত থকা বহুত জন্তুৰ সাধু কথা জাতকত পোৱা যায়।

ভাৰতত যেতিয়া আৰ্য্য আৰু দ্ৰাবিৰ সকলৰ মিলন হল 'জাতকে' সেই সময় চোৱাৰ বহু কথা বৰ্ণনা কৰিছে। জাতকে বিশেষকৈ ক্ষত্ৰিয় ব্ৰাহ্মণ আৰু শাসক শ্ৰেণীৰ সমাজৰ ৰীতি নীতি আদিৰ কথা উল্লেখ কৰে। আগতে ৰজা বাচি লোৱা হৈছিল। পাছত ই জন্মস্বত্বাধী কাৰত পৰিণত হল। মাইকী মানুহ এই স্বত্বৰ পৰা বঞ্চিত। গাৱৰ সমাজে বহুখিনি স্বায়ত্ত শাসন পালে। ৰাজ্যৰ প্ৰধান ৰাজহ হল মাটিৰ ওপৰত লগোৱা কৰ।

সমাজত গছ-গছনি ৰোৱা, ফুলৰ বাগিছা পতা, আম, খেজুৰ, আঙুৰ ডিমৰু আৰু কলৰ বাগান আদি পাতিছিল।

চিকাৰ বিদ্যা সমাজত এটা সৰ্ব্বসাধাৰণ ব্যৱসায় আছিল আৰু ই আহাৰো যোগাইছিল। মাছৰ ব্যৱসায়ো আছিল। প্ৰধান খাদ্য দ্ৰব্য আছিল ধান, গোমধান, ঘেঁহু আদি। গুৰ আৰু চেনি কুহিয়াৰৰ পৰা উৎপন্ন কৰা হৈছিল। গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদন হোৱা বহু খাদ্য বস্তুৰ মূল্য উচ্চ আছিল। মাছৰ দোকানো আছিল। আৰু মদ, চাউল, গুৰ, ফল আদিৰ পৰা তৈয়াৰ কৰিছিল।

জাতকৰ দিনতো মূল্যবান পাঠৰৰ খনি খান্দি উলিওৱা হৈছিল। মূল্যবান ধাতুৰ ভিতৰত সোণ ৰূপ পিতল লোহা সীহ আৰু তাম

আদিয়েই প্ৰধান আছিল। তেতিয়াও বেহা বেপাৰত ধাৰ, ঋণ, সুদৰো ব্যৱস্থা আছিল।

সেই সময়ত তৈয়াৰী কাপোৰৰ ভিতৰত আছিল চিল্ক, গৰম সূতা, কপাহৰ সূতা, ৰাগ, কম্বল আৰু কাৰপেত আদি। সূতা কটা কাপোৰ বোৱা, ৰং দিয়া আদি ব্যৱসায়ো খুব বেচি আছিল। ঘৰ সজাত ইটা শিল আৰু কাঠৰ ব্যৱহাৰ হৈছিল। ধাতুৰ পৰা যুদ্ধৰ অস্ত্ৰ শস্ত্ৰ তৈয়াৰ কৰা হৈছিল। কাঠ মিস্ত্ৰী সকলে বেলেগ বেলেগ ধৰণৰ বহুবিধ কাঠৰ মাল তৈয়াৰ কৰিছিল। তাৰ ভিতৰত গৰু গাড়ী, দোলা, পানীত চলা জাহাজ, খাটীয়া, চকি বেঞ্চ আৰু পুতলা আদি আৰু বেতৰ কামো চলিছিল।

সুগন্ধি তেল আদি ফুলৰ পৰা তৈয়াৰ কৰিছিল। বহু ধৰণৰ ঔষধ আদিও তৈয়াৰ হৈছিল। মৰা শ গেলি নোযোৱাকৈ সুগন্ধি মছলা দি ৰাখিছিল।

ইয়াৰ উপৰিও কাৰিকৰ শিল্পী, শিক্ষক, ডাক্তৰ, কটাচিঙ্গাৰ ডাক্তৰ, মহাজন, ব্যৱসায়ী, বাজিকৰ, গায়ক, জ্যোতিষী, নাট্যকাৰ আৰু নৃত্য শিল্পী আদিও আছিল। ঘৰুৱা চাকৰ প্ৰায়েই আছিল। খেতি আৰু আন আন খেতিৰ যাবতীয় লাগতীয়াল কাম বনুৱা ধৰি কৰা হৈছিল। তেতিয়াও কেৱল মৰা শ—ঠানঠিত লগোৱা অস্পৃশ্য চণ্ডাল আছিল।

জাতকত ১৮টা শিল্প বিদ্যাৰ উল্লেখ আছে। ইয়াৰ ভিতৰত ৪টা বিশেষ ভাবে উল্লেখিত। ১। কাঠৰ কাম, ২। ৰাজমিস্ত্ৰী, ৩। সোণ, ৰূপ, লোহা আদি ধাতুৰ কাম কৰা মানুহ আৰু ৪। চামৰাৰ কাম কৰা মানুহ।

"জাতকে" গাওঁ সংগঠনৰ কথাও উল্লেখ কৰিছে। গাওঁ হিচাবে কাঠৰ কাম কৰা মানুহৰ গাওঁ, সোণাৰী, কমাৰ, বাঢ়ৈ আদিৰ স্বকীয়া স্বকীয়া গাওঁ সংগঠন হৈছিল। এনেকৈয়েই জাতি বিভাজনতো পৰিণত হৈছিল।

যাতায়াতৰ কাৰণে ডাঙৰ ডাঙৰ পথ তৈয়াৰ হৈছিল। ভ্ৰমণ-কাৰীৰ কাৰণে ঠায়ে ঠায়ে জিৰণি ঘৰ সাজি দিছিল। চিকিৎসাৰ কাৰণে হস্পিতেল আৰু উত্তৰ ভাৰতৰ আন আন দূৰ অংশৰো যোগা-যোগ স্থাপন হল। বাণিজ্য ব্যবসায় ভাৰতৰ ভিতৰতে সীমাবদ্ধ হৈ থকা নাছিল। বিদেশৰ লগতো সংযোগ হল।

৫ম শতিকাৰ খ্বঃ পৃঃ ত ইজিপ্তৰ "মেমফিচত" ভাৰতীয় লোকৰ ঔপনিবেশ স্থাপন হৈছিল। অনুমানিক দক্ষিণ এচিয়াৰ লগতো ভাৰতৰে সৈতে বেহা বেপাৰ চলিছিল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে সৰু সৰু নাও, জাহাজৰ বাহিৰেও সাগৰ মহাসাগৰত চলিব পৰা জাহাজ তৈয়াৰ হৈছিল। দূৰ বিদেশৰ ব্যৱসায়ী জাহাজৰ ওপৰত কৰ কাতলো আৰোপ কৰিছিল! এই কথা মহাভাৰতে উল্লেখ কৰিছে।

জাতকে বেপাৰী সকলৰ সাগৰ যাত্ৰাৰ কথাও উল্লেখ কৰিছে! মৰুভূমিয়েদি উত্তৰ দল পশ্চিমফালে গৈ ব্ৰুচ, গান্ধাৰা আৰু মধ্য এচিয়ালৈ যোৱাৰ কথাও উল্লেখ আছে। ব্ৰুচৰ পৰা জাহাজেৰে পাৰস্য প্ৰণালী পাৰ হৈ বেবিলন পাইছিলগৈ।

জাতকৰ মতে, বেনাৰচ, পাটনা, চম্পা আদিৰ পৰা নদীয়েদি বেহা বেপাৰৰ বস্তু বাহনি লৈ দক্ষিণাত্যৰ জাহাজ বন্দৰেদি সিংহল আৰু মালয়ালৈ গৈছিল। পুৰণি তামিল ভাষাৰ কবিতাত কাবেৰী নদীৰ উন্নত বেহা বেপাৰৰ উল্লেখ আছে। কাবেৰী পট্টনমেই বিদেশৰ লগত যোগাযোগ সংস্থাপনৰ প্ৰধান কেন্দ্ৰ আছিল। একেখন সাগৰৰ জাহাজত ১০০ জনকৈ বণিক যাব পাৰিছিল।

গ্ৰীক্, বেক্‌ট্ৰীয়ান সকলৰ ৰজা মিলিন্দা ১ম শতিকাৰ খ্বঃত উত্তৰ ভাৰতৰ ৰজা আছিল। তেওঁ বৌদ্ধ ধৰ্ম্মবলম্বী আছিল। এওঁৰ বহুত সাগৰৰ জাহাজ আছিল আৰু এই সাগৰৰ জাহাজৰ ব্যৱসায়ৰ এওঁ বৰ চহকী হল। তেওঁৰ জাহাজে বেহা বেপাৰৰ সামগ্ৰী লৈ সাগৰেদি ব্ৰহ্ম, চীন, এলেকজেন্দ্ৰিয়া কৰমণ্ডল সাগৰৰ দাতি আদি পাইছিল গৈ।

ভাৰতৰ পৰা নিয়া ব্যৱসায়ৰ সামগ্ৰীৰ ভিতৰত আছিল চিল্ক, মিহি সূতাৰ কামিজ, সুগন্ধি তেল, হাতী দাঁতৰ অলঙ্কাৰ আৰু সোণ ৰূপৰ অলঙ্কাৰ।

উত্তৰ ভাৰতত যুদ্ধৰ অস্ত্ৰ শস্ত্ৰ তৈয়াৰ হৈছিল। যেনে:— দীঘলীয়া চুৰি কটাৰী, তৰোৱাল। ৫ম শতিকাৰ খৃঃ পূঃ ত বহু সংখ্যক ভাৰতীয় অশ্বাৰোহী সৈন্য পাৰস্য সৈন্যৰ লগত লগ লাগি গ্ৰীচলৈ গৈছিল।

অতীত ভাৰতে লো ধাতু ব্যৱহাৰ কৰাত বহু উন্নত আছিল। দিল্লীৰ ওচৰত আজিও অসংখ্য লোহাৰ খুটা বিদ্যমান। আজিৰ বৈজ্ঞানিকে এই লোহা খুটা সেই সময়ত কি উপায় অৱলম্বন কৰি তৈয়াৰ কৰিছিল তাক এতিয়াও নিৰ্ণয় কৰিব পৰা নাই। খুটাৰ ওপৰত লিখা আখৰ খিলাকৰ সময় গুপ্তযুগৰ ৪ৰ্থ পৰা ৭ম শতাব্দীৰ ভিতৰৰ।

৪ৰ্থ শতাব্দীত এলেক্‌জেণ্ডাৰে আক্ৰমণ কৰিছিল সৈনিক সকলৰ তাড়নাত। এই আক্ৰমণ সীমান্তৰ সিপাৰত। তেওঁৰ ইয়াত কোনো গৌৰৱ নাই। এজন অতি সৰু ৰাজ্যৰ ৰজাৰ লগত তেওঁৰ যুদ্ধ হৈছিল। সেই ৰাজ্যই যুদ্ধত সাহসিকতাৰ পৰিচয় দিছিল। সেই কাৰণেই তেওঁৰ সৈন্যই আৰু বেচি দূৰ আগ নাবাঢ়ি উভতি যায়।

এলেকজেণ্ডাৰৰ পাচত চেলুকচে ভাৰত আক্ৰমণ কৰে। কিন্তু ৰজা চন্দ্ৰগুপ্তই তেওঁক পৰাস্ত কৰি খেদি পঠায়।

অতীত যুগত ভাৰতত "ব্ৰাহ্মী" আখৰ লিখা হৈছিল। সেই ব্ৰাহ্মী আখৰেই বৰ্ত্তমানৰ "দেৱনাগ্ৰী"। অশোকৰ দিনত কিছুমান ব্ৰাহ্মী আখৰৰ কিতাপ আছিল।

"পানিণীয়ে" ৬ষ্ঠ কি ৭ম শতাব্দীৰ খৃঃ পূঃত সংস্কৃত ভাষাত এখন ডাঙৰ ব্যাকৰণ ৰচনা কৰে। এই পানিণীৰ সংস্কৃত ব্যাকৰণৰ বিষয়ে লেলিন গ্ৰেডৰ বিখ্যাত ৰাচিয়ান লিখক ষ্টেচাৰবাতস্কিয়ে মানৱ মনৰ মহান অৱদান বুলি ব্যাখ্যা কৰিছে। পানিণীয়ে গ্ৰীক আখৰৰ বিষয়েও

উল্লেখ কৰিছে। ইয়াৰ পৰাই জানিব পৰা যায় যে আলেক্‌জেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰো আগৰ পৰাই গ্ৰীকৰ লগত ভাৰতৰ সম্বন্ধ আছিল।

অতীতত জ্যোতিষী শাস্ত্ৰ চৰ্চ্চাই বিশেষত্ব লাভ কৰিছিল। অতীতত ঔষধৰ কিতাপো আছিল আৰু চিকিৎসালয়ো আছিল। পৌৰাণিক ইতিহাসৰ ধনন্তৰীয়েই ভাৰতীয় চিকিৎসা বিজ্ঞানৰ উদ্ভাৱনকাৰী বুলি জনাজাত। বিখ্যাত চাৰকেই কণিষ্কৰ ৰাজ্যৰ চিকিৎসক আৰু অস্ত্ৰ প্ৰচাৰক আছিল।

গণিত শাস্ত্ৰতো ভাৰতে বিশেষ ভাবে উন্নতি কৰিছিল। শূন্য, দশমিক, মূল্যাঙ্কণ, বিয়োগ চিনৰ প্ৰয়োগ, নজনা বস্তুত বীজ গণিত আখৰৰ ব্যবহাৰ আদি অতীত ভাৰতে কৰিছিল। ইয়াৰ কিন্তু সঠিক সময় ঠাৰকৰা টান। ঋক বেদে ভাৰতত দশমিক অংশ ব্যৱহাৰৰ কথা উল্লেখ কৰিছে।

যেনেকুৱাই নহওক অতীতত ভাৰতৰ মানুহেও আন দেশৰ দৰে সময়ৰ জ্ঞান ৰাখিছিল।

তেওঁলোকৰ চিন্তা বহু উন্নতস্তৰৰ আছিল আৰু আনকি অতীতৰ কাল্পনিক ঘটনাইয়ো হাজাৰ মিলিয়ান স্তৰৰ কথা কৈছিল। তৰা নক্ষত্ৰত থকা দূৰত্বও তেওঁলোকৰ মনত আচৰিত যেন নালাগিছিল। ১৯ শতাব্দীৰ মাজভাগত ভাৰতীয় মনে উদ্ভাৱন কৰা দাৰউইন আৰু আন আন মনিষীৰ চিন্তাৰ ঢৌৱে ইউৰোপত মানসিক বিপ্লৱৰ সৃষ্টি কৰিছিল।

৪ৰ্থ শতাব্দীৰ খ্ৰীঃ পূঃ ত অৰ্থ শাস্ত্ৰই ভাৰতৰ ওজন ব্যৱহাৰৰ কথা উল্লেখ কৰিছে। আৰু এই ওজন বেচা কিনাত বজাৰত থিক ভাবে ব্যৱহাৰ হৈছেনে নাই তাৰো উল্লেখ আছে।

মহাভাৰত আৰু ৰামায়ণৰ যুগত অৰণ্যত বিশ্ববিদ্যালয় পাতি উপযুক্ত শিক্ষকে লৰাক ৰণ কৌশল আৰু শিক্ষা আদি দিছিল। সমাজৰ ওচৰৰ পৰা এই শিক্ষানুস্থান বিলাক দূৰত ৰখা হৈছিল। ইয়াৰ

উদ্দেশ্য ছাত্ৰসকল নিয়মানুৱৰ্ত্তী আৰু সংযমী হব। এই শিক্ষাৰ অন্তত ছাত্ৰসকল গৃহবাসী হব। দেশৰ একো একোজন লোক হৈ সমাজ সংগঠন কৰিব।

বেনাৰচ আগেয়ে শিক্ষাৰ ঘাই কেন্দ্ৰ আছিল। বুদ্ধদেৱৰ দিনতো বেনাৰচৰ উল্লেখ আছে। বেনাৰচৰ ওচৰৰ মৃগ বনতেই বুদ্ধদেৱে প্ৰথমেই তেওঁৰ ধৰ্ম্মমন্ত্ৰ প্ৰচাৰ কৰে।

ভাৰতৰ উত্তৰ পশ্চিমে "পেচোৱাৰত" অতীতত তক্ষশিলা নামে এটা প্ৰখ্যাত বিশ্ববিদ্যালয় আছিল। এই বিশ্ববিদ্যালয় বিজ্ঞান আৰু ঔষধৰ কাৰণে জনাজাত আছিল। কলা বিদ্যাৰো ইয়াতো চৰ্চ্চা হৈছিল। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা ইয়ালৈ ছাত্ৰ আহিছিল। "জাতকে" ব্ৰাহ্মণ সকলৰ লৰাবিলাকে ইয়াতেই শিক্ষা লাভ কৰাৰ কথা উল্লেখ কৰিছে। মধ্য এচিয়া আৰু আফগানিস্থানৰ পৰাও ছাত্ৰ আহি ইয়াত শিক্ষা লাভ কৰিছিল। তক্ষশিলাৰ পৰা ডিগ্ৰী লাভ কৰিব পৰাটো বৰ গৌৰৱৰ কথা আছিল। ডাক্তৰি বিজ্ঞান যি সকলে তক্ষশিলাৰ পৰা অধ্যয়ন কৰি ওলাই আহে তেওঁলোকক যথোচিত সন্মান দেখুওৱা হৈছিল। বুদ্ধদেৱৰ অসুস্থাৱস্থাত তক্ষশিলাৰ পৰা ডাক্তৰ আনি চিকিৎসা কৰা হৈছিল। সুবিখ্যাত পানিণীৰ লিখক সংস্কৃত ব্যাকৰণ পণ্ডিত পানিণীয়ে তক্ষশিলা বিশ্ববিদ্যালয়তেই শিক্ষা লাভ কৰে। তক্ষশিলা বুদ্ধ যুগৰো আগৰ বিশ্ববিদ্যালয় আৰু ব্ৰাহ্মণ সকলে ইয়াতেই শিক্ষা লাভ কৰে। ই বুদ্ধদেৱৰ দিনত বৌদ্ধ শিক্ষাৰ কেন্দ্ৰস্থল হল আৰু বিভিন্ন ঠাইৰ আৰু সীমান্তৰ সীপাৰৰ ছাত্ৰ আহি ইয়াত শিক্ষা লাভ কৰে। উত্তৰ পশ্চিম প্ৰদেশৰ মৌৰ্য্য সাম্ৰাজ্যৰ তক্ষশিলা সদৰ অফিচ আছিল।

মনুৰ মতে সেই সময়ৰ মাইকী মানুহৰ স্থান বহু তলত আছিল। তথাপিও মাইকী মানুহকো সন্মানিত স্থান দিয়াৰ কথা উল্লেখ আছে। মাইকী মানুহে য'তে সন্মানৰ স্থান পাইছে তাতেই ঈশ্বৰ বিৰাজ কৰিছে।

মাইকী মানুহে শিক্ষালাভ কৰাৰ কথা তক্ষশিলা বা আন কোনো বিশ্ববিদ্যালয়ত উল্লেখ নাই। কিন্তু কোনো কোনো ঠাইত বিদুষী মাইকী মানুহৰ কথা উল্লেখ আছে। ইয়াৰ পৰাই বুজা যায় যে তেওঁলোকেও কৰবাত নিশ্চয় শিক্ষা লাভ কৰিছিল।

## "মহাবীৰ, বুদ্ধ আৰু জাতি"

উন্নত কৰ্ম্ম আৰু চিন্তাৰ পাতনিৰে উপনিষদৰ আৰম্ভনি। চকুৰে দেখা বাস্তৱতাক লৈ সূক্ষ্মভাৱে জানিবলৈ মানুহৰ মন বিদ্ৰোহী হৈ পৰিল। এই বিদ্ৰোহেই উপনিষদৰ সৃষ্টি কৰিলে। পাচত আৰ্থিক অৱস্থাৰ উৎপত্তি হল। ইয়াৰ পৰাই অহিংসাৰ ভেটিত বৌদ্ধ ধৰ্ম্ম আৰু জৈন ধৰ্ম্মই বেদৰ পৰা ফালৰি কাটি ভাগৱৎ গীতাৰ বিশ্বাসত জন্ম হল।

মহাবীৰ জৈন্যই "জৈন্য" ধৰ্ম্ম আৱিস্কাৰ কৰে। এওঁ বুদ্ধদেৱৰ সমসাময়িক আছিল। বুদ্ধদেৱ আৰু মহাবীৰ জৈন্য দুয়োজন ক্ষত্ৰিয় ফৈদৰ। বুদ্ধদেৱে ৮০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেতিয়া খৃঃ পূঃ ৫৪৪। এই ৫৪৪ খৃঃ পূঃ ৰ পৰাই বৌদ্ধ শকৰ আৰম্ভ হয়। বহাগী পূৰ্ণিমাত মহাপুৰুষ বুদ্ধদেৱৰ জন্ম। ইংৰাজী মে কি জুন মাহ। এনে পূৰ্ণিমাতে বুদ্ধদেৱে সম্পূৰ্ণতা লভে আৰু এনে পূৰ্ণিমাতেই তেওঁ স্বৰ্গলোকলৈ যায়।

বুদ্ধদেৱে জাতি বিভাগ ঘৃণা কৰিছিল। সকলো অৱস্থাতেই ইয়াক ওচৰ চাপিব দিয়া নাছিল। যদিও জাতি বিভাজনৰ বিপক্ষে তেতিয়াই মহাপুৰুষ সকলে সতৰ্ক কৰি দিছিল তথাপি সময়ৰ যেৰপাকে জাতি বিভাজন বলবানহে কৰি তুলিলে। হিন্দু ধৰ্ম্মৰ মূল ভাগৰ পৰা ফাটি আহি জৈন্য ধৰ্ম্ম আৰু বুদ্ধ ধৰ্ম্মই গা ডাঙি উঠিল। বুদ্ধ ধৰ্ম্মই জাতি বিভাজনক কোনো গুৰুত্ব নিদি নিজ মতেৰে থাকি ভাৰতৰ পৰা বাহিৰ ওলাল।

খৃষ্ট ধৰ্ম্ম ভাৰতলৈ অহা আজি ১৮০০ বছৰ হল আৰু লাহে লাহে বিয়পি পৰিল। মুছলমান সকলৰ সামাজিক গাঁঠনিত আংশিক ভাবে পৰিবৰ্ত্তন যুগ।

আমাৰ ভাৰতত মধ্য শ্ৰেণী মানুহৰ মাজত জাতি বিভাগ বৰ বৈচিকৈ বলবান হল। মহাত্মা গান্ধীৰ লক্ষ্যই এই জাতি বিভাজনৰ কৰাল গ্ৰাসৰ বাটত হেঙ্গাৰ পুতিলে। এই জাতি বিভাগ সম্পূৰ্ণে সমাজৰ পৰা উঠাবৰ কাৰণে তেওঁ অহোপুৰুষাৰ্থ কৰিলে। তেওঁ কৈছিল যে জাতি বিভাগ মানুহৰ মনৰ নিম্ন খাপৰ। ই এটা জাতীয় জীবনৰ মহা কণ্টক। এই জাতি বিভাগ সমাজৰ পৰা সমূলঞে উঠাব পৰিলেহে দেশে উন্নতি সাধন কৰিব পাৰিব। হিন্দু মুছলমানৰ জাতিগত বিভিন্নতা, বিভিন্ন মহাদেশৰ লগত থকা অসামঞ্জস্য সকলো পাহৰি যাব লাগিব। যদি ভাৰতৰ উন্নতি কামনা কৰা তেন্তে সমাজৰ ভিতৰত থকা জাতি বিভাজন দূৰ কৰা।

## "চন্দ্ৰগুপ্ত আৰু চাণক্য"

বৌদ্ধ ধৰ্ম্ম ক্ৰমান্বয়ে ভাৰতত বিয়পি পৰিল। যদিও মূলতে ক্ষত্ৰিয়ৰ পৰাই ব্ৰাহ্মণ পুৰুহিত সকলক লৈ এই ধৰ্ম্মৰ আন্দোলন তথাপি ইয়াৰ মানসিক আৰু সামাজিক মূলতে ধৰ্ম্ম পুৰুহিত সকলৰ ক্ৰিয়া কাণ্ডৰ বিপক্ষে থিয় হবলৈ সকলোকে আহ্বান জনালে। ই জনপ্ৰিয় হৈ উঠিল। ব্ৰাহ্মণ সকলে এই আন্দোলনৰ বিপক্ষে থিয় হল। আঢ়ৈ শ শতাব্দীৰ পাছত অশোক ৰজা হল। বৌদ্ধ ধৰ্ম্মত তেওঁ দিক্ষিত হৈ এই বৌদ্ধ ধৰ্ম্মৰ প্ৰচাৰৰ কাৰণে বিদেশতো তেওঁ জনমত গঢ়ি তুলিলে। এই সময় চোৰাত ভাৰতৰ বহু পৰিবৰ্ত্তণ হল। বিভিন্ন জাতিৰ মাজত সৰু সৰু ৰাজ্যবিলাক দখল কৰিবলৈ মন কৰিলে। দন্ খৰিয়াল আদি সৰু সৰু ঘৰুৱা কথা বিলাকে সমাজত ঠাই ললে। পুৰণি ৰাজ্য বিলাকে সৰু সৰু ৰাজ্য বিলাক দখল কৰি

এখন শক্তিশালী সাম্ৰাজ্য গঢ়িবলৈ উঠি পৰি লাগিল। উত্তৰ পশ্চিমৰ এলেকজেণ্ডাৰৰ আক্ৰমনে এই শক্তি গাঢ় কৰিলে। এই পৰিবৰ্ত্তণত দুজন বিখ্যাত লোকে সুযোগ গ্ৰহণ কৰিলে। এওঁলোক হল চন্দ্ৰগুপ্ত মৌৰ্য্য আৰু ব্ৰাহ্মণ চাণক্য। দুয়ো জনেই শক্তিশালী। দুয়োজনকেই শক্তিশালী নন্দ ৰাজ্যৰ পৰা বনবাস দিয়া হৈছিল।

এই নন্দ ৰাজ্যৰ ৰাজধানী আছিল পাটলিপুত্ৰ বৰ্ত্তমান পাটনা। দুয়ো বনবাসত থাকোঁতে ভাৰতৰ উত্তৰ পশ্চিম কোণত এলেকজেণ্ডাৰ গ্ৰীক সৈন্যৰ লগত ভেটা ভেটি হয়। চন্দ্ৰগুপ্তই এলেকজেণ্ডাৰক নিজে লগ ধৰিছিল। এলেকজেণ্ডাৰৰ বিজয় কাহিনী শুনি তেওঁ ৰাজ্যৰ আকাঙ্ক্ষাৰে আলোকিত হৈ এলেকজেণ্ডাৰৰো শক্তি চূৰ্ণ কৰিবলৈ সাজু হল। চন্দ্ৰগুপ্ত আৰু চাণক্যই মহৎ অভিলাষেৰে তলে তলে পথ নিৰ্ম্মাণ কৰিছিল আৰু এই পথৰ সুযোগ লবলৈ শুভ মুহূৰ্ত্তলৈ অপেক্ষা কৰি ৰ'ল।

খৃঃ পূঃ ৩২৩ত এলেকজেণ্ডাৰৰ বেবীলনত মৃত্যু হয়। মৃত্যো বাতৰি বিয়পি পৰাৰ লগে লগেই চন্দ্ৰগুপ্ত আৰু চাণক্যই বিদেশী শত্ৰুৰ বিৰুদ্ধে শক্তি সজাগ কৰিলে। গ্ৰীকৰ সৈন্য বাহিনী যুদ্ধত পৰাজয় কৰি তক্ষশিলা অবৰোধ কৰিলে। জাতীয়তাবাদৰ আহবানে দেশবাসীক জাগ্ৰত কৰাত চন্দ্ৰগুপ্তই মিত্ৰ বাহিনী লৈ পাটলিপুত্ৰৰ অভিমুখে যুদ্ধযাত্ৰা কৰিলে। এলেকজেণ্ডাৰৰ মৃত্যুৰ দুবছৰৰ ভিতৰতে চন্দ্ৰগুপ্তই আৰু সেই নগৰ আৰু ৰাজ্যৰ অধিকাৰী হৈ মৌৰ্য্য সম্ৰাজ্য স্থাপন কৰে।

এলেকজেন্দাৰৰ সেনাপতি চেলুকছে এলেকজেন্দাৰৰ মৃত্যুৰ পাচতে এচিয়া মাইনৰৰ ভাৰতলৈকে ক্ষমতা হস্তগত কৰে, উত্তৰ ভাৰততো শক্তি স্থাপন কৰিবলৈ যত্ন কৰি সৈন্য লৈ সিন্ধুনদী পাৰ হল। কিন্তু চন্দ্ৰগুপ্তৰ হাতত পৰাজিত হৈ চন্দ্ৰগুপ্তক তেওঁৰ ৰাজ্য আফগানিস্থানৰ এক অংশ আৰু কাবুল আৰু হেৰাটলৈকে ৰাজ্য এৰি দিয়ে আৰু চেলুকচৰ জীয়েকক চন্দ্ৰগুপ্তলৈ বিয়া দিয়ে। দক্ষিণ ভাৰতৰ বাহিৰে

চন্দ্রগুপ্তৰ ৰাজ্য গোটেই ভাৰতত বিয়পি পৰিল। এওঁৰ ৰাজ্য আৰব সাগৰৰ পৰা বঙ্গ উপসাগৰ আৰু কাবুলৰ উত্তৰ অংশলৈকে বিস্তাৰিত হয়। ভাৰত বুৰঞ্জীৰ পাতত প্রথম বাৰৰ কাৰণে ভাৰতত এখন মহা সাম্রাজ্য গঠন হল আৰু ইয়াৰ ৰাজধানী পাটলিপুত্র হল। সৌভাগ্যক্রমে চেলুকচে ভাৰতলৈ পথিওৰা ৰাজদুত মেগাস্থেনীচে ভাৰত আৰু গ্রীকৰ বিষয়ে লিখিত বিৱৰণ থৈ গৈছে। কৌটিল্যৰ অর্থশাস্ত্র আৰু ৰাজনীতিৰ বিজ্ঞান সম্বন্ধেও উন্মুকিয়াই গৈছে। চাণক্যৰ আন এটা নাম কৌটিল্য। গতিকে এখন বিশাল সাম্রাজ্যৰ গঢ় দিওঁতা চাণক্যৰ লিখনি কিমান যে মূল্যৱান হব পাৰে তাক সহজেই অনুমান কৰিব পৰি। সাম্রাজ্যৰ ৰাজদণ্ড তেওঁ নিজ হাতত লৈছিল আৰু ৰজাক এজন বন্ধু আৰু অনুগামী হিচাবেহে চলাইছিল।

চাণক্যৰ 'অর্থশাস্ত্রই' বহু বিষয়ে আলোচনা কৰিছে। ৰাজ্যৰ কর্ত্তব্য, মন্ত্রী ও বিষয়া সকলৰ দায়িত্ব, চৰকাৰৰ নানা বিভাগ, বৈদেশীক সূত্র স্থাপন, যুদ্ধ আৰু শান্তি এই সকলো বিষয়ে বিশদ আলোচনা কৰিছে। চন্দ্রগুপ্তৰ ৰাজ্যৰ বিশাল সৈন্য বাহিনীৰো বিষয়ে তেওঁ উল্লেখ কৰিছে। চাণক্যই মন্তব্য কৰে যে ৰাজ্যৰ শৃঙ্খলতা নির্ভৰ কৰিছে উপযুক্ত নেতাৰ ওপৰত। ইয়াৰ উপৰিও ব্যৱসায়-বানিজ্য, নিময়-কানুন, মিউনিচিপেলিতি, সামাজ্যিক আচাৰ-ব্যবহাৰ, বিয়া, বিয়া বিচ্ছেদ, মাইকী মানুহৰ ন্যায্য অধিকাৰ, কৰ কাটল, কৃষি, নদী পথ, ফেক্টৰী, কল-কাৰখানা আদি সকলো উল্লেখ কৰিছে। বিধৱা বিবাহো মানি লৈছে। চীনা পাতৰ কথাও এই অর্থশাস্ত্রত উল্লেখ আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ভাৰতৰ লগত চীনৰ ৪র্থ শতাব্দীৰ খ্রঃ পূঃ ৰ পৰাই বেহা-বেপাৰ চলিছিল।

ৰজাই ৰাজ্য সিংহাসনত উঠি এই বুলি শপত গ্রহণ কৰিছিল— "মই যদি প্রজাক অত্যাচাৰ কৰো মোৰ এই স্বৰ্গীয় আসন নাতিপুতিলৈকে বঞ্চিত হব। প্রজাৰ সুখেই মোৰ সুখ।"

ভাৰতৰ অর্থনৈতিক আৰু ৰাজনৈতিক আন্দোলনৰ পিচ ললে

বৌদ্ধ ধৰ্ম্মই, বুদ্ধৰ বাক্য সকলোৱে মনঃপুত হল, বুদ্ধই সকলো শিষ্যকে উপদেশ দিছিল তোমালোকে সকলো ঠাইতে গৈ মোৰ বাক্য প্ৰচাৰ কৰা, দুখীয়া সুখীয়া, ধনী-চহকীক কৈ দিয়া সকলো সমান। যেনেকৈ সকলো নদীৰ পানী সাগৰত পৰেগৈ তেনেকৈ সকলোৱেই এক সাগৰৰ। তেওঁৰ ধৰ্ম্মত কোনো উচ্চ-নীচ, ধনী দুখীয়াৰ ভেদাভেদ নাই, ঘৃণা এই পৃথিবীত থাকিব নোৱাৰে। ক্ৰোধক মৰমেৰে দমন কৰা। অন্যায়ক ন্যায়েৰে সামৰি লোৱা। ৰণত এজনে হাজাৰ মানুহক পৰাজয় কৰিব পাৰে কিন্তু যি জনে নিজক জয় কৰিব পাৰিছে তেওঁৱেই হে প্ৰকৃত বিজয়ী। নিজৰ চৰিত্ৰ কৰ্ম্ম পদ্ধতিয়েহে কোনো এজন মানুহক নীচ জাতি বা ব্ৰাহ্মণ বুলি পৰিচয় দিব, জন্মগত স্বত্বই নহয় বেয়া কাম কৰি যদি অনুতাপ কৰে বা পাপ কামত আসক্ত লোককো কদৰ্য্য ব্যৱহাৰ কৰে তেনে পাপী জনকো ঘৃণা কৰিবলৈ দিয়া নাই। এজনে আন এজনক জয় কৰাৰ কথাটো অতি অসুখীয়া বিৱৰণ যিহেতু জয়ে ঘৃণাৰ বীজানু উদ্ভৱ কৰে। কাৰণ যি জনক জয় কৰা হল তেওঁ বৰ অসুখীয়া হৈ ৰল। যেনেকৈ জুইত পুৰি সোণ গ্ৰহণ কৰা হয় তেনেকৈ মোৰ মত আনে লোৱা উচিত। সত্যৰ অনভিজ্ঞতাই সকলো দুখৰ কাৰণ। ঈশ্বৰ বা অনাদি শক্তি আছে নে নাই তেওঁ নকয়। যেতিয়া আমাৰ কোনো কথা বিবেকে ঢুকি নাপায় তেতিয়া আমাৰ বিচাৰ স্থগিত ৰখা উচিত। এটা কথাৰ উত্তৰ দিওঁতে বুদ্ধই কৈছে "যদি অনাদি শক্তি কোনো বস্তুৰেই সম্বন্ধত নাই তেন্তে আমি জনা জ্ঞানৰ পৰা আছে বুলি প্ৰমাণ কৰিম কেনেকৈ ? যদি কোনো বস্তুৰ লগত সম্বন্ধই নাই তেন্তে আছে বুলি আমি জনিম কেনেকৈ। আমি জনা মতে গোটেই বিশ্বব্ৰহ্মাণ্ডই ইটো সিটোৰ লগত ঘনিষ্ঠ সম্বন্ধত জড়িত। সেই কাৰণে আমি যি জানো তাতেই সীমাবদ্ধ হোৱা উচিত। বুদ্ধই আত্মাৰ স্থিতিৰ কথা সেই কাৰণে প্ৰকাশ কৰা নাই।

আমি এই পৃথিবীৰ অভিজ্ঞতাৰ পৰা "হয়" বা 'নহয়' এই দুটা শব্দ ব্যৱহাৰ কৰো। হয়তো দুয়োটাই শুদ্ধ নহবও পাৰে যেতিয়া

আমি বস্তুৰ উপবিভাগৰ বিষয়ে জানিব বিচাৰো। আৰু হয়তো তাত সংঘটিত হোৱা ঘটনা সমূহৰ বিষয়ে ব্যাখ্যা কৰিবলৈ ভাষাৰেই নাটনি হব। 'সত্য'—হোৱা নোহোৱাৰ মাজতেই কৰবাত বৈ আছে। একেৰাহে নদী একে গতিতেই বৈ আছে আৰু পানীবো পৰিবৰ্ত্তন ঘাটি আছে। সেইদৰে 'জুই' আৰু জুইৰ শিখাই যদিও একেই উজ্জ্বলতা, একেই আকাৰ ও গঠন লৈ আছে তথাপি একে শিখা হৈ থকা নাই। ইয়াৰো পৰিবৰ্ত্তন ঘটি আছে। সকলো বস্তুৰেই সেই দেখি পৰিবৰ্ত্তন শীল। আমাৰ জীৱনটোও সেই "হোৱা" শক্তিৰেই বিকাশ মাথোন। বাস্তৱতা স্থিতিশীল বা অপৰিবৰ্ত্তনীয় বস্তু নহয়। এক ৰকম চকম কীয়া শক্তি।

আমাৰ শৰীৰ আৰু আত্মা মুহূৰ্ত্তে মুহূৰ্ত্তে পৰিবৰ্ত্তন হৈ আছে। ই নোহোৱাও হৈ যায়। এক ভাবত কবলৈ গলে আমি সকলো সময়তে মৰিছো আৰু পুনৰ জন্ম গ্ৰহণ কৰিছো এই অনুক্ৰমে কিবা এক নিজ ৰূপৰ লিচিগা বন্ধনৰ প্ৰমাণ দিছে। এই অভগন সোঁতেই হৈছে চিৰ পৰিবৰ্ত্তনশীল স্বৰূপ। সকলোটি চিৰ প্ৰবাহিত, চিৰ গতিশীল আৰু চিৰ পৰিবৰ্ত্তনীয়। এই সকলো বিলাক আমাৰ মনে ঢুকি নাপায়। বুদ্ধদেৱৰ এই মতবাদে বৰ্ত্তমানৰ দৰ্শন, বিজ্ঞান আৰু চিন্তাশীল গতিক আমাৰ নিচেই ওচৰলৈ টানি আনিছে।

জীৱনটোক অস্থায়ী বুলি কৈছে আৰু চিৰস্থায়ী বস্তু কিবা আছে যদি আমি নাজানো। মনটোক শৰীৰৰ এটা অঙ্গ বুলি ধৰিছে। ব্যক্তিক সেই কাৰণে মনৰ এটা সমষ্টি বা মুঠ বুলিছে আৰু আত্মা এটা গতিৰ ধাৰণা। আমি যি কোনো আকাৰতেই উদ্ভৱ হওঁ ই কেৱল ভাৱৰহে ফল।

জীৱন দুখ ও যান্ত্ৰণাৰে ভৰপুৰ। বুদ্ধই ৪টা তথ্যৰ কথা উল্লেখ কৰিছে। ক্লেশ—ইয়াৰ কাৰণ আৰু উপায় কি? বুদ্ধদেৱে শিষ্যক উপদেশ দিওঁতে এই বুলি কৈছে—তুমি গোটেই জীৱনতেই দুখ অনুভৱ কৰিবা। তোমাৰ চকুৰ পৰা ধাৰাষাৰে চকুৰ পানী বব।

তুমি বহু চকুৰ ধাৰা বোৱালা। জীৱনৰ তীৰ্থ যাত্ৰাত তুমি ওলাই যোৱা। দুখো পাবা আৰু উচুপিও কন্দিবা কাৰণ এইটো তোমাৰ প্ৰাপ্য। ভাল পোৱা অংশটো তোমাৰ নহয়।”

এই ‘যন্ত্ৰণা’ বা ‘ক্লেশৰ’ পাচত মুক্তি বা নিৰ্ব্বাণ।

## কাৰণ

বুদ্ধদেৱৰ সাধুকথাই মোক লৰালি কালতেই আকৰ্ষণ কৰিছে। সেইকাৰণেই মোৰ যুবক সিদ্ধাৰ্থৰ প্ৰতি ইমান অনুৰাগ। এই সিদ্ধাৰ্থই অশেষ দুখ, যাতনা ভোগ কৰি অশেষ লাঞ্চিত হৈ বুদ্ধ হল।

এড্‌উইনৰ লাইট্ অব় এচিয়া (Light of Asia) মোৰ প্ৰিয়পাঠ্য হল। মই যেতিয়া মোৰ প্ৰদেশত বহু ঠাই ঘুৰিব লগা হয় তেতিয়া মই বুদ্ধদেৱৰ লগত সম্বন্ধ থকা পুৰণা ঠাই চাই বহু আনন্দ পাওঁ। ইয়াতেই নেপালৰ সীমান্তত বুদ্ধদেৱৰ জন্ম। ইয়াতেই বিহাৰৰ গয়াত বুদ্ধদেৱে ভ্ৰমণ কৰিছিল। ইয়াতেই বুদ্ধবৃক্ষৰ তলত বহি বুদ্ধদেৱে সিদ্ধিলাভ কৰে। ইয়াৰে পৰাই তেওঁ ধৰ্ম্মৰ উপদেশ বিলায়। ইয়াতেই তেওঁৰ সমাধিস্থ কৰা হয়।

বৌদ্ধ ধৰ্ম্ম অৱলম্বন কৰা দেশ সমূহলৈ গলে মই মঠ-মন্দিৰ দৰ্শন কৰো। বৌদ্ধ সন্ন্যাসী সকলক লগ ধৰি বৌদ্ধ ধৰ্ম্মই মানুহক কি দিছে, সমাজৰ কি উন্নতি সাধন কৰিছে, বৰ্ত্তমানৰ লগত অতীতৰ কি সামঞ্জস্য আছে তাকে অনুসন্ধান কৰো। বৌদ্ধ সন্ন্যাসী সকলৰ মুখ মণ্ডলত দেখা পাওঁ নিবিড় শান্তি, গাম্ভীৰ্য্যতা, নম্ৰতা আৰু সাংসাৰিক আৱৰ্জ্জনাৰ পৰা সম্পুৰ্ণ ভাৱে মুক্ত হোৱা অৱস্থা। বহু শিল্পীয়ে বুদ্ধদেৱৰ প্ৰতিমূৰ্ত্তি শিলত নতুবা তাম্ৰৰ ফলিত কাটি থৈ গৈছে।

বুদ্ধদেৱৰ মূৰ্ত্তিৰ পৰা ধাৰণা কৰিব পাৰি যে পদ্ম ফুলৰ ওপৰত বহি

শান্ত আৰু সংযমী হৈ সংসাৰৰ ধুমুহা বতাহত জৰ্জ্জৰিত আৰু দুখ দৈন্যতাৰে ভৰপুৰ পৃথিবীৰ মায়া মোহৰ পৰা আতৰি নিজ ইচ্ছাৰ ও পৰতে মনোনিবেশ কৰি কোনেও চুকি নোপোৱাত বহি আছে।

## "অশোক"

চন্দ্ৰগুপ্ত মৌৰ্য্যই স্থাপন কৰা ভাৰত আৰু পশ্চিমীয়া দেশৰ লগত থকা সম্বন্ধ তেওঁৰ পুতেক বিন্দুসাৰৰ ৰাজ্যৰ কাললৈকে থাকিল, ইজিপ্তৰ পলিমীৰ আৰু এন্টিওকাচৰ পৰা পাটলিপুত্ৰলৈ চেলুকচৰ উত্তৰাধিকাৰী সকল আহিছিল। চন্দ্ৰগুপ্তৰ আজো নাতি অশোকৰ দিনত বৌদ্ধ ধৰ্ম্মই পৃথিবীৰ বহু ঠাইত বিয়পি পৰিছিল, সেইসময়ত ভাৰত পৃথিবীৰ দেশ সমূহৰ প্ৰধান কেন্দ্ৰস্থল হল।

২৭৩ খৃঃ পূঃ ত অশোক ৰজা হয়। ইয়াৰ আগেয়ে তক্ষশিলা বিশ্ববিদ্যালয়ৰ ভাইচৰয় আছিল। ভাৰতৰ বহু ৰাজ্য অশোক ৰজাৰ ৰাজ্যত ভূক্ত হল। এওঁৰ ৰাজ্য মধ্য এচিয়ালৈকে বিয়পি পৰিছিল। দাক্ষিণাত্যৰ কিছু অংশ আৰু দক্ষিন পুবৰ কিছু অংশ এই ৰাজ্যৰ বাহিৰত ৰল। ভাৰতক এখন মহান ৰাজ্যত পৰিণত কৰাৰ কল্পনাই অশোকৰ মন আগুৰি ধৰিলে। সেই কাৰণে তেওঁ পূব সাগৰৰ দাঁতিৰ ৰাজ্য কলিঙ্গ দেশ অধিকাৰ কৰিবলৈ গল। এই কলিঙ্গ ৰাজ্যই বৰ্ত্তমানৰ উড়িষ্যা আৰু অন্ধ্ৰ প্ৰদেশৰ অংশক বুজায়। কলিঙ্গবাসীয়ে দেশ ৰক্ষা কৰিবলৈ অশেষ চেষ্টা কৰিছিল। অশোকৰ সৈন্যই কলিঙ্গ জয় কৰিলে। এই যুদ্ধত অসংখ্য সৈন্য নিহত হল। যুদ্ধৰ এই অসংখ্য হতাহতত অশোক মৰ্ম্মাহত হল। যুদ্ধৰে ৰাজ্য জয় কৰাৰ আশা তেওঁ পৰিত্যাগ কৰিলে আৰু বৌদ্ধধৰ্ম্মত দীক্ষিত হল।

তেওঁ চিৰিয়া, ইজিপ্ত, মেচিডনীয়া, চাইৰীনি, ইপাইৰা আদিলৈ ৰাজকটকী পঠাই বুদ্ধদেৱৰ ধৰ্ম্ম মত প্ৰচাৰ কৰে। এওঁলোক মধ্য এচিয়া, ব্ৰহ্মদেশ আৰু শ্যাম দেশলৈকো যায় আৰু তাতো বুদ্ধদেৱৰ মত প্ৰচাৰ কৰে। অশোকৰ কন্যা সঙ্ঘমিত্ৰা আৰু পুত্ৰ মহেন্দ্ৰ

দাক্ষিণাত্যই দি সিংহল দ্বীপলৈ যায় আৰু তাতো বুদ্ধদেৱৰ ধৰ্ম্ম মত প্ৰচাৰ কৰে।

বৌদ্ধ ধৰ্ম্ম সোনকালেই কাশ্মীৰৰ পৰা সিংহল দ্বীপলৈকে গোটেই ভাৰতত বিয়পি পৰিল। এই ধৰ্ম্ম নেপালেদি সোমাই তিৰ্ব্বত, চীন আৰু মাঙ্গোলিয়া পালেগৈ। বৌদ্ধ ধৰ্ম্মত দীক্ষিত হৈ নিৰামিষ ভোজন কাৰী আৰু ৰাগীয়াল বস্তু মদ, ধুমপান আদি ত্যাগ কৰিলে। তথাপিও ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ সকলে মাংস আৰু মদ খালে। পশু হত্যা নিষেধ কৰিলে।

ভাৰত আন দেশৰ লগত বাণিজ্য সুত্ৰত আৰদ্ধ হল। মধ্য এচিয়াৰ চিংকিয়াঙত ভাৰতীয় উপনিবেশ স্থাপন কৰি বেহা বেপাৰৰ কাম সুচাৰুৰূপে চলাইছিল। ভাৰতৰ বিশ্ববিদ্যালয় তক্ষশিলাই বিদেশৰ বহু ছাত্ৰক আকৰ্ষণ কৰিছিল।

অশোক এজন ডাঙৰ শাসক আছিল। তেওঁ নিজ ৰাজ্যত ডাঙৰ ডাঙৰ অট্টালিকা আদি সজাবলৈ বিদেশৰ পৰা কাৰিকৰ আনিছিল। নালন্দা বিশ্ববিদ্যালয় পাটলিপুত্ৰ (পাটনা) আৰু গয়াৰ মাজত, কেতিয়া এই বিশ্ববিদ্যালয়ৰ স্থাপন হল অশোকে এই কথা লিখি থৈ যোৱা নাই। ২৩২ খৃঃ পূঃ ত অশোকৰ মৃত্যু হয়। ৪১ বছৰ এওঁ ৰাজ্য শাসন কৰে। বুৰঞ্জীয়ে এৰি থৈ যোৱা ১০ হাজাৰ শাসনকৰ্ত্তাৰ ভিতৰত মহাৰাজ অশোকৰ নাম ধ্ৰুব তৰাৰ দৰে ভল্গাৰ পৰা জাপানলৈকে আৰু চীন, তিব্বত, ভাৰত সকলোতে জিলিকি আছে।

সময়ৰ সোঁতে মৌৰ্য্য ৰাজ্য নিশ্চিহ্ন কৰিলে। সৰু ৰাজ্যত চুঙ্গী বংশই ৰাজত্ব কৰিলে। চুঙ্গী বংশই দাক্ষিণাত্যত পৰাক্ৰমী ৰাজ্য গঠন কৰিলে। উত্তৰত বেক্‌ট্ৰীয়ান বা ইন্দোগ্ৰীক সকলে কাবুলৰ পৰা পাঞ্জাৱলৈকে শক্তিশালী ৰাজ্য গঠন কৰিলে। ৰজা মিনানন্দৰ অধীনত এওঁলোকে পাটলিপুত্ৰ আক্ৰমণ কৰে কিন্তু পৰাজয় বৰণ কৰিব লগীয়া হল। মিনানন্দৰ এই যুদ্ধত মৃত্যু হয়।

ভাৰতত ক্ৰমান্বয়ে বৌদ্ধ ধৰ্ম্মৰ মত বিয়পি পৰিল। ভাৰত আৰু

গ্ৰীকৰ সংমিশ্ৰণত গান্ধাৰত গ্ৰীক বৌদ্ধৰ কৃষ্টি আৰু অনুশীলনৰ জন্ম হল। আফগানিস্থানৰ সীমান্তৰ "বেচন নগৰত" হেলী দুৰাচ বুলি এটা ডাঙৰ স্তম্ভ আছে। গ্ৰীক্ সকলে যে ভাৰতীয় আচাৰ ধৰ্ম্ম লৈছিল তাকে প্ৰমাণ কৰে। "গৰুড়" বাসুদেৱৰ বাহন। ইয়াৰে পৰাই অনুমান কৰিব পাৰি যে পুৰণি গ্ৰীকৰ কাহিনীৰ লগত ভাৰতীয় দৃষ্টি ভঙ্গীৰ সালসলনি ঘটিছিল।

## "শক"

মধ্য এচিয়াৰ "অক্‌চাচ" উপত্যকাত শক বিলাকে ৰাজ্য স্থাপন কৰিছিল। "ইউৰেচী" সকল পূবফালৰ পৰা আহি শকবিলাকক উত্তৰ ভাৰতৰ ফালে খেদি পথায়। এই শক বিলাকেই বৌদ্ধ আৰু হিন্দু ধৰ্ম্ম গ্ৰহণ কৰে। 'ইউৰেচী' বিলাকৰ কুশান বুলি এটা ডাঙৰ জাতি আছিল। এওঁলোক উত্তৰ ভাৰতত ক্ষমতা শালী হৈ আছিল। কুশান বিলাকে শক বিলাকক পৰাস্ত কৰি দক্ষিণাত্যলৈ খেদি পথায়। শক বিলাক ক্ৰমান্বয়ে কাঠিয়াবাদ আৰু দক্ষিণাত্যলৈ সম্পসাৰিত হল, কুশান বিলাকে গোটেই উত্তৰ ভাৰতৰ চিৰস্থায়ী ৰাজ্য স্থাপন কৰিলে। মধ্য এচিয়াৰো কিছু অংশ ললে। কিছুমানে হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিলে আৰু কিছুমান বৌদ্ধ ধৰ্ম্মাৱলম্বী হল। এওঁলোকৰ বিখ্যাত ৰজা কণিষ্ক যদিও মূলতে বৌদ্ধধৰ্ম্মালম্বী আছিল তথাপি জেৰুস্ত্ৰিয়ান ধৰ্ম্মত সানমিহলি হৈ চলিছিল। উত্তৰ সীমান্ত ৰাজ্যখন কুশান সম্ৰাজ্য আছিল আৰু পেচোৱাৰ এই ৰাজ্যৰ নিচেই ওচৰত আছিল। তক্ষশিলা বিশ্ববিদ্যালয়ৰ বহু পণ্ডিত আৰু ছাত্ৰৰ মিলনৰ স্থল আছিল। ইয়াতেই ভাৰতে স্কীন্ধিয়ান, ইউৰেচী, ইৰান আৰ ব্ৰেক্‌ট্ৰীয়া বেকটেৰিয়ান গ্ৰীকৰ লগত যোগাযোগ স্থাপন কৰিছিল আৰু কৰ্ম্ম পদ্ধতিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছিল। ইয়াতেই বিখ্যাত নক্সা কটা আৰু ৰং বোলাই ধুনীয়া কৰা আদি বিষয়ৰ কাৰীকৰি স্কুলত পৰিণত হয়।